যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক নকৰাকৈ মৃত্যুবৰণ কৰিছে তেওঁ জান্নাতত প্ৰৱেশ কৰিব আৰু যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰি মৃত্যুবৰণ কৰিছে, সি জাহান্নামত প্ৰৱেশ কৰিব।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ এজন ব্যক্তি নবী চাল্লাল্লাহু আলাইহি
অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! (জান্নাত আৰু জাহান্নামক) অনিবাৰ্য
কৰিব পৰা বিষয় দুটা কি? তেখেতে ক'লেঃ "যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক নকৰাকৈ মৃত্যুবৰণ কৰিছে তেওঁ জান্নাতত প্ৰৱেশ কৰিব আৰু যিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰি মৃত্যুবৰণ
কৰিছে, সি জাহান্নামত প্ৰৱেশ কৰিব।" [ছহীহ] [(মুছলিম)]

এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক দুটা বৈশিষ্ট্য সম্পৰ্কে সুধিলে, যিটোৰ এটা অৱলম্বন কৰিলে জান্নাত অনিবাৰ্য হৈ পৰে আৰু আনটো অৱলম্বন কৰিলে জাহান্নাম অনিবাৰ্য হয়। ইয়াৰ উত্তৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ যিটো বৈশিষ্ট্য অৱলম্বন কৰিলে জান্নাত অনিবাৰ্য হয় সেইটো হৈছে, মানুহ এজনৰ এনেকুৱা অৱস্থাত মৃত্যুবৰণ কৰা, যিজনে একমাত্ৰ আল্লাহৰেই ইবাদত কৰিছে আৰু তেওঁৰ সৈতে আন কাকো অংশীদাৰ স্থাপন কৰা নাই। আনহাতে যিটো বৈশিষ্ট্য অৱলম্বন কৰিলে জাহান্নাম অনিবাৰ্য হৈ পৰে, সেইটো হৈছে, যদি কোনো ব্যক্তিয়ে আল্লাহৰ সৈতে শ্বিৰ্ক কৰা অৱস্থাত মৃত্যুবৰণ কৰে (তেন্তে তাৰ বাবে জাহান্নাম অনিবাৰ্য হৈ পৰে), অৰ্থাৎ আল্লাহৰ উলুহিয়্যাত, ৰুবুবিয়্য়াত আৰু আচমা ওৱা চিফাতত যদি আন কাকো সমকক্ষ স্থিৰ কৰি মৃত্যুবৰণ কৰে (তেন্তে তাৰ ওপৰত জাহান্নাম অনিবাৰ্য)।

http://www.sunnah.global/hadeeth/as/show/65008